# কবিতা

## দৈত্যবধৰ আঁচনি

শ্ৰীঅশ্বিনী বসুমতাৰী
২য় বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

আজি কালি শৰত আহিলে আৰু
শেৱালি ফুলিলে
তোমাৰ কথাৰে
বুকুখন মোৰ দুৰু দুৰু নকঁপে।

আজি কালি মোৰ
শৰত শেৱালি কোনোটোকে অকণো ভাল নেলাগে
ফুলি ফুলি সৰি পৰা
শেৱালিবোৰ দেখিলে
আজি কালি মোৰ
বুটলিবৰ মন নেযায়
( মালাগঁথাতো দূৰৰে কথা ! )
শেৱালি-তিওৱা নিয়ৰবোৰ
আজি কালি মোৰ
ৰংমনকাইৰ তপত চকুলো যেনহে লাগে।

ৰংমনকাইৰ ছয়টা ল'ৰা-ছোৱালী
মানুহটো আৰু বেলিয়ে যি বিচনাত পৰিল
আৰু উঠিব নোৱাৰিলে।

এমা-ডিমা ল'ৰা-ছোৱালীকিটাক এৰি ঘৈণীয়েকে
অ'ত ত'ত কটনা কাটি ফুৰে ।
—আঠজনীয়া পৰিয়াল এটি বাচি কথাৰ একমাত্র অৱলম্বন
এচলু পানীৰে মৰুভূমি তিওৱাৰ কি হাস্যকৰ পৰিকল্পনা !

ৰংমনকাইৰ সাতামপুৰুষীয়া মাটি ডোখৰত
আজি কালি কনক মহাজনৰ হাল ঘূৰে
ভাগ্যৰ কি পৰিহাস !
ৰংমনকাইৰ ৰৰটো ল'ৰা ন-বছৰীয়া
গছৰ ফেৰেঙনি ডালত ৰবৰ খুৱাই
'গুল্টী' বনাই লৈছে
সুধিলে কয় ঃ
সি হেনো দৈত্যবধ কৰিব ।

# আহ্বায়ক এক নতুন সংগ্ৰামৰ

মহেন্দ্ৰ কুমাৰ দাস
২য় বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

মহাকালৰ অনুগ্ৰহত
জলাঞ্জলি দিলোঁ মনৰ দুৰ্বলতা
দীপ্ত কণ্ঠেৰে উচ্চাৰণ নকৰোঁ আজি
অতীতৰ কোমল সুৰীয়া ভাষা
পঁয়ালগা ৰাজনীতিৰ মাতাল সংলাপ
ৰাজনীতিত— সমাজবাদ আদৰ্শ
নেপথ্যত পুঁজিবাদী ধাৰা
আৰু কিমান শুনিবা ?
শত্ৰু আজি আই
তোমাৰ দুৱাৰ-ডলিত
জগোৱা আই তোমাৰ সন্তানক
সিন্ধু লৌহিত্য
গঙ্গাৰ পাৰে পাৰে
চৌদিশে অন্যায় অত্যাচাৰ শোষণ
জ্বলি উঠক শোষণ ধ্বংসৰ
একুৰা জুই
জ্বলি উঠক একুৰা জুই
মোৰ মনৰ গহন বনত আৰু
ইতিহাসৰ আৱৰ্জনাৰ স্তূপত
কৰা মোক বিপ্লৱ মুখৰ
আহ্বায়ক এক নতুন সংগ্ৰামৰ।

# চিঠিৰ বাকচ ঃ য'ত আছে মনৰ খবৰ ?

শ্ৰীবশিষ্ঠৰাম পাঠক
২য় বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

আলিৰে কুৰিত থকা সৌ চিঠিৰ বাকচটো
কেতিয়াবা মোৰ খুলি চাবৰ বৰ মন যায়
এখন দুখনকৈ গোট খোৱা চিঠিবোৰ
আদিৰপৰা অন্তলৈ
পঢ়িচাবৰ মন যায়
( জানো, অন্যায় ইচ্ছা । তথাপিও ······)

'মৰমৰ' বুলি মনৰ মানুহলৈ লিখা
চেনেহীৰ চিঠিত
সঁচা মৰমৰ পৰিমাণ
নিৰ্ভেজাল তৰ্জত জুখি চাবৰ মন যায় ।

এশনৈৰে টকাৰে
কলটপ কলটপকৈ
সাতজনীয়া পৰিয়ালৰ যুৰুলি টনা
পিয়ন হৰিধন কাইৰ
ডাঙৰজনী ছোৱালী ন-বছৰীয়া আইজনীক
মৌজাদাৰৰ ঘৰত বান্দী থব লাগে ঃ
ঘৈণীয়েকলৈ লিখা চিঠিত
হৰিধন কাইৰ চকুলোৰ উত্তাপ লবৰ মন যায় ।

ৰামলাল সুখাদিয়াৰ চিঠিত
চাউলৰ সতে শিলগুড়িয়ে,
মিঠাতেলৰ লগত মবিলে
সহাৱস্থান কৰাৰ ৰহস্য
আৱিষ্কাৰ কৰি
সাৰি শুই থকা কৰ্ত্তৃত্বক ক'বৰ মন যায় ঃ
হত্যাকাৰী আচলতে ৰামলাল নহয়,
হত্যাকাৰী তোমালোক········ ।

## ॥ প্ৰেতাত্মা ॥

বনমালী দাস
২য় বাৰ্ষিক; স্নাতক

হঠাতে দেখিলোঁ এটি প্ৰেতাত্মা
লাহে লাহে তাই মোৰ কাষ চাপিছে
মই শঙ্কিত হলোঁ, মই চিঞৰি দিলোঁ
এটি করুণ কণ্ঠস্বৰ শুনিলোঁ-'দিপালী, মই দিপালী'
অৱচেতন মনত জাগি উঠিল
বহুত কিবা কিবি স্মৃতি
কিন্তু ইমান বাতি !
সন্মুখত ভাঁহি উঠিল এটি
বিৰাট প্ৰশ্নবোধক চিন
কেনেকৈ কোনে প্ৰিয় বান্ধৱী
দিপালীৰ ৰূপ যৌৱন সকলো কাঢ়ি নিলে
মোৰ চিঞৰি চিঞৰি ক'বৰ মন গ'ল
কিয় কিয় তুমি
দৰিদ্ৰতাত পৰাজয় মানিলা
কিয় অনাহাৰ অনিদ্ৰাত সকলো হেৰুৱালা
তুমিতো জানা ক্ষুধিত অকল তুমিয়েই নহয়
কিয় তোমালোক আটায়ে মিলি
তোমালোকৰ মূৰত কঁঠাল ভাঙি খোৱা
ধনেশ্বৰহঁতৰ ভাতৰ সাজ কাঢ়ি নানিলা
মৃত্যু সুনিশ্চিত
তেন্তে নেখাই মৰিবা কিয় ?

.... ...

## ॥ উপলব্ধ অস্তিত্ব ॥

বসন্ত কুমাৰ দত্ত

তোমালোকৰ ৰাজহাড় বেঁকা কৰা
শ্ৰমৰ দাম তুলি দিলোঁ
আনৰ হাতত সযতন কৌশলেৰে,
খেয়ালি মনৰ শব্দ, ছন্দ আৰু
ৰোমাঞ্চৰ মায়াজাল ৰচি
দাম ললোঁ, নাম পালোঁ
এক উন্মত্ত আমেজত
সাজি ল'লোঁ আৱেষ্টনী
নিৰাপদ দূৰত্বত ;
তোমালোকৰ চকুত
ভীত-চকিত হৰিণৰ ছবি ।

সময়ৰ ৰথৰ চকাই
ভাঙি দিলে সুৰক্ষিত
মোৰ এই আবেষ্টনী
প্ৰতিটো ভঙা টুকুৰাত আঁকি থ'লে
মুখাখোলা ভেঙুচালিৰ মুখ,

অদূৰত দেখা পালোঁ
মূৰ তুলি থিয় হোৱা
তোমালোকৰ চকুত উদিত
ৰঙীন সূৰ্য্যৰ ছবি ;
উন্মুক্ত কঠিন হাতৰ মুঠিয়ে যেন
অবিৰাম মোকেই মাতিছে
কাষলৈ—নিচেই কাষলৈ
এইবাৰ মোৰ ওচৰ চপাৰ পাল
ওচৰ চপাৰ পাল—
লগে ভাগে ৰথৰ চকাৰ ।

## ...ঃ আহ্বান ঃ শিশুবৰ্ষৰ ঃ...

—কামিনী মোহন শৰ্ম্মা

সোঁৱা চোৱা ! উঠি আহে সূৰ্য্যদেৱতা ।
ৰঙা কৰি পুবাকাশ
আলো কৰি অসীমৰ সীমা
ৰামধেনুৰঙ সানি মেঘৰ মুখত
অন্ত কৰি এন্ধাৰৰ নগ্ন অত্যাচাৰ
আগুৱাই আহি আছে—
জন্মৰ কোমলতা পৱিত্ৰতা লৈ ;
এন্ধাৰত নিষ্পেষিতা ধৰিত্ৰীৰ মুখ
হাঁহিভৰা কৰিবলৈ'
জগাবলৈ' নিদ্ৰিত ধৰণী-সন্তান
সুদূৰৰ শিলেগঢ়া পাহাৰৰ বুকুফালি
ঠেলি ঠেলি কলীয়া ডাৱৰ
বীৰদৰ্পে অগ্ৰগামী—
সংগ্ৰামী অজেয় জ্যোতি !

সোঁৱা শুনা—হৰ্ষধ্বনি
বনানীৰ অগণন বিহঙ্গিনীৰ
হিমস্নাত ধৰিত্ৰীৰ দেহ জিলমিল
সদা প্ৰস্ফুটিত ফুলে
অনাঘ্ৰাত যৌৱনৰ সুবাস বিলায়
চলি পৰে শেৱালি বকুল
উলাহতে মাতৃ-কোলাত
সৰি পৰে সংগোপনে
বাহি হোৱা ফুলৰ পাপৰি
তৃষ্ণাতুৰ মধুকৰে দিগ্‌দাৰি কৰে
ৰাতি ফুলা পুষ্পাহঁতৰ

টানি-টুনি বুকুৰ আঁচল
জীয়ৰী বোৱাৰীহঁতে কামত কৰহ লৈ
ঘুমৰ আমেজ লৈ চকুৰ পতাত
আগুৱাই গৈ আছে ঘাট অভিমুখে
বলদ হালৰ সতে
পথাৰলৈ' গৈ আছে হলধৰকাই !

সোণ-মোৰ ! এতিয়া পোহৰ হ'ল !
পালেঙৰ কোমল বিচনা এৰি
উঠি আহা কাষলৈ মোৰ
আমাৰ দুৱোৰে দুটি তেজৰঙা প্ৰাণ
তৰঙ্গিত কৰি দিওঁ নীল আকাশত
স্বাগতম্ জনাবলৈ' প্ৰেম-চিলনীয়ে
অগ্ৰগামী হৈ যাওক—
নৱজাত সূৰ্য্য অভিমুখে
পৰে যদি সুলকি পৰক
ডেউকাৰ দুটি-এটি ৰঙচুৰা পাখি
হলধৰকাইৰ সৌ খেতিপথাৰত
যেন তেওঁ পাখিবোৰ
ঘৰলৈ নিব পাৰে
দিব পাৰে কলম বনাই
কণ কণ জীয়েক আৰু পুতেকক
'ক' 'খ' লিখিবৰ বাবে ।

# —বন্দীশালৰ চিঠি—

প্ৰণেশ সেন ডেকা

স্তব্ধতাৰ আঁচল মেৰিয়াই
ক্ৰমাৎ পাৰ হয় কাৰাগাৰৰ সময় ঃ
দেৱাল ঘড়ীৰ দোলোকৰ টং টং শব্দ, দণ্ড অনুপল
বৈ যায় উজাগৰী ৰাতিৰ প্ৰহৰ ।

গভীৰ ৰাতি,
মৰ আঁউসীৰ অন্ধকাৰ পুণ্ট
এই নির্জন চেলত বহি বহি ভাবিছোঁ ঃ
কিমান সুন্দৰ মোৰ শ্যামল স্বদেশ
যিয়ে আমাক আলফুল মৰমেৰে আৱৰি ৰাখিছে
কিমান উদাৰ নিচেই চিনাকি মোৰ
কৃষ্ণা লুইতৰ নির্মল জলাধাৰ
পলসে যাৰ নিতৌ ধুৱাই যায় বিস্তীর্ণ দুপাৰ
কিমান উর্বৰ সেই বিশাল সেউজী পথাৰ
লানি লানি কৃষকৰ হাল
শাওণৰ ৰ'দে ধোৱা পলসুৱা মাটিত
আপোন মনে ভুঁই ৰোৱা ৰোৱণীৰ জাক
সোণ হালধীয়া আঘোণৰ ধাননিত
কুহমীয়া ৰ'দ জাক পিঠিত পেলাই লৈ
ধান গছত ৰেপ দিয়া দাৱনীৰ জাক
সবাতোকৈ' মহান আমাৰ অগণিত বন্ধুগণ
একতাৰ কমাৰ ভাতীত দুহাত সেকি
যিয়ে ল'লে আপোচ বিহীন আমৰণ সংগ্ৰামৰ পণ ।

বাহিৰত তোমালোক ব্যস্ত চাগে'
ৰণ কৌশলৰ নতুন নক্সা লৈ ।

হাত ভৰি মোৰ শিকলিৰ টানকৈ বন্ধা
প্ৰশ্বাসত নাই উন্মুক্ত বায়ুৰ স্বাদ।

বন্দীশাললৈ অহাৰেপৰা প্ৰতিদিন
স্বীকাৰোক্তি আদায়ৰ বাবে
সিহঁতৰ গধুৰ বুটৰ গচকত মোৰ প্ৰতিষ্ঠা অঙ্গত
বিয়পি পৰে তীব্ৰ বিষৰ জ্বালা,
যন্ত্ৰণাক্ত মনেৰে ভাবোঁ ঃ
পাহাৰৰ পাদপ্ৰান্তৰ অহৰহ হাতুৰী মাৰি
শক্তিক্ষয়ী শিলভঙা বনুৱা বন্ধুৰ কথা ;
চিৎকাৰ কৰিব খুজিও থমকি ৰওঁ,
প্ৰচণ্ড ঘূৰ্ণাত খুপ খাই আছে মোৰ
কপালৰ সমস্ত ৰক্তবাহী শিৰ
পূতিগন্ধময় এই নৰক-কুণ্ডত
ভেৰোণীয়া ঘাটকৰ চাবুকৰ অবিৰাম প্ৰহাৰত
মোৰ সমগ্ৰ দেহ যেতিয়া দবৰা-দবৰি দিয়ে
মনত পৰে তেতিয়া,
জমিদাৰী হিচাবৰ খাটাত লুকা-ভাকু খেলা
মেহনতি কৃষকৰ শ্ৰমজলসিক্ত সোণসনা শইচৰ কথা
ক্ষতস্থানৰপৰা ধাৰাসাৰে বৈ আছে
থোপোকা ফুলৰ দৰে ৰঙা ৰঙা তেজ।


এনেদৰে প্ৰতিদিনে শত্ৰুৰ বৰ্বৰ শাস্তি
সহি যাওঁ নিৰ্বিকাৰ ভাৱে—
উপনিৱেশিকতাবাদীহঁতে ছলে-বলে কাঢ়ি নিয়া
স্বদেশৰ উৰ্বৰ ভূমি আৰু আজন্ম
শ্ৰম আৰু দাসত্বৰ মেটমৰা বোজা বৈ
পিঠি বেকাঁ কৰা,
এই দেশৰ সেমেকা মাটিৰ প্ৰতিজন অধিবাসীৰ প্ৰতি থকা

আন্তৰিক স্নেহ আৰু সুগভীৰ ভালপোৱাই
মোক দিছে শক্তি, প্ৰেৰণা।

জেল, গুলি, ফাঁচী দমন পীড়নৰ শেষ অস্ত্ৰ
সচেতন মানুহে শিকি লয় বিপ্লৱৰ অমোঘ মন্ত্ৰ ;
ইতিহাসৰ, ৰথচক্ৰ ঘূৰে অবিৰাম
মেহনতী মানুহৰ সংগঠিত ৰূপে আনে বিদ্ৰোহৰ জাগৰণ
ভাঙি দিয়ে উদ্ধত কাৰাৰ কঠিন প্ৰাচীৰ
সন্মিলিত শক্তিৰ প্ৰচণ্ড আঘাতে।

সময় এয়াই
দীপ্ত আত্মপ্ৰত্যয়েৰে নিজকে তীখাৰ দৰে
কঠিন কৰি তোলা বন্ধু,
যুদ্ধৰ পিছত যুদ্ধ কৰি আগুৱাই যোৱা
মুখা মুখি হোৱা
নতুন নতুন শত্ৰুৰ স'তে।

আমাৰ স্নেহময় সঁফুৰাৰ থল
মাতৃভূমিৰ গৌৰৱ
স্বাধীনতা আৰু আদৰ্শৰ হকে
অধিক উজ্জ্বল কৰি তোলা।



## ৺ৰুদ্ৰ বৰুৱা ঃ

# একাঁজলি অশ্ৰু-অঞ্জলি

পথাৰখন এতিয়া নিমাওমাও
পকাধানৰ মাজৰ সৰু সৰু আলিবোৰ
এতিয়া বৰ নিজম ।

আঁহতৰ তলত
কঁকাল ভাঙি ভাঙি
বাহু দাঙি দাঙি
বিহুমৰা ডেকা-গাভৰুৰ জাকৰপৰা
পাহৰাল ডেকাজনৰ
এয়া যেন অবাঞ্ছিত প্ৰস্থান
—বিহুৱলীয়া নগৰীয়াৰ উদ্যমত চেঁচাপানী ।

ব্যস্ত নগৰীয়া জীৱনৰ অলপীয়া বিৰতিত
সহজ সৰল গাওঁৰ ছবি মনত আঁকি নিয়া
কোনোবা নগৰীয়া ডেকাৰ প্ৰাণত হয়তো আজিও বৈ বৈ
বাজে ঃ
'সময় পালে আমাৰ ফালে এবাৰ আহি যাবা......'
হয়তো ভাব হয় ঃ নগৰীয়া সভ্যতাৰ পাণ্ডুলিপি হয়তো আছে
খাল-বিল বোকা-পানীৰে ভৰা গাওঁবোৰতে...

হৈ-দিয়া গৰুগাড়ীত
দীঘল ওৰণি টানি
শৈশৱ-কৈশোৰৰ মৌ-মিঠা স্মৃতিৰ ৰ'দ কাঁচলিত
উমলি যোৱা কইনাজনীয়ে
হয়তো উচুপনিৰ মাজতো ভাবে ঃ
তাইৰ বেদনাখিনি তুমি বাৰু কেনেকৈ ইমানকৈ বুজিছিলা ?
অন্যায়ৰ প্ৰতিকাৰ বিচাৰি
সৰব সমদল কৰা
বঞ্চিত কৃষক বনুৱায়ো ভাবে ঃ
সিহঁতৰ বাবে
তোমাৰ অনুভূতি
আৰু বহুতৰে হ'লে !

ক'ৰবাত কোনোবাই বনগীত এফাঁকি গালে
দূৰণিৰ পৰা বিহুগীত এফাঁকি ভাঁহি আহিলে
প্ৰত্যুষ অথবা সন্ধিয়া
সুৰ লগাই কোনোবাই বৰগীত এফাঁকি জুৰিলে
ভাঁহি আহে
তোমাৰ স্মৃতি
চুই যায়
মনৰ কোনোবা খিনি ।

ৰুদ্ৰ বৰুৱা, ৰত্ন-গৰ্ভা অসমী আইৰ
দুখৰ দীঘল ৰাতিৰ
তেজাল প্ৰভাত চাবলৈ
তুমিতো আছা
তুমিতো থাকিবা
যুগে যুগে
আমাৰ হিয়াই হিয়াই ।

অনুবাদ কবিতা ঃ

# ॥ চিগাৰেট ॥

মূল ঃ সুকান্ত ভট্টাচাৰ্য্য
জন্ম ঃ ১৩৩৩ শকৰ ৩০ শাওণ
মৃত্যু ঃ ১৩৫৪ শকৰ ২৯ ব'হাগ
অসমীয়া ৰূপান্তৰ ঃ মিচ্ কবিতা বসাক
২য় বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

আমি চিগাৰেট।
তোমালোকে আমাক জীয়াই থাকিবলৈ নিদিয়া কিয় ?
আমাক পুৰি নিঃশেষ কৰা কিয় ?
কিয় ইমান অস্থায়ী আমাৰ আয়ুস ?
মানৱতাৰ কোনটি কাৰণ তোমালোকে দেখুৱাবা ?

আমাৰ দাম বৰ কম এই পৃথিৱীত।
সেই বাবেই কি তোমালোকে আমাক শোষণ কৰা ?
বিলাসৰ সামগ্ৰী হিচাবে পুৰি পেলোৱা ?
তোমালোকৰ শোষণৰ বাবে আমি ছাই হওঁ ঃ
তোমালোক নিবিড় হোৱা আৰামৰ উত্তাপত।

তোমালোকৰ আৰাম ঃ আমাৰ মৃত্যু।
এনেকৈ আৰু কিমান দিনে চলিব ?
আৰু কিমান দিন আমি এনেকৈ নিঃশব্দে মাতিম
আয়ুস হৰণকাৰী তিল্ তিল্ অপঘাতকক।

দিন আৰু ৰাতি—ৰাতি আৰু দিন ;
তোমালোকে আমাক শোষণ কৰিছা সৰ্বক্ষণ—
আমাৰ বিশ্ৰাম নাই, মজুৰি নাই—
নাই দেখোঁ খন্তেকৰ ছুটী ।

সেয়ে, আৰু নহয় ;
আৰু আমি বন্দী হৈ নেথাকোঁ
টেমাত আৰু পেকেটত ; আঙুলিৰ ফাঁকত আৰু পকেটত ;
সোণ খটোৱা বাকচত আমাৰ নিশ্বাস নহ'ব ৰুদ্ধ ।
আমি ওলাই পৰিম,
সকলোৰে দল বান্ধি, একেলগে—
তাৰ পিছত তোমালোকৰ অসতৰ্ক মুহূৰ্ত্তত
জ্বলন্ত আমি ছিটিকি পৰিম তোমালোকৰ হাতৰপৰা
বিছনাত অথবা কাপোৰত ;
নিঃশব্দে হঠাৎ জ্বলি উঠি—
ঘৰবাৰী সমস্ত জ্বলাই পুৰি মাৰিম তোমালোকক,
যেনেকৈ তোমালোকে আমাক মাৰিছা ইমান দিনে ॥

গল্প

# বক্তৃতা বনাম নীৰৱতা

শ্ৰীভবানী প্ৰসাদ দাস
১ম বাৰ্ষিক, স্নাতক

বিৰাট ৰাজহুৱা সভাৰ আয়োজন। এখন ডাঙৰ বতাৰ তলত ধুনীয়াকৈ সজাই ৰখা হৈছে এখন মঞ্চ। মঞ্চৰ ওপৰত সজাই ৰখা হৈছে কেইখনমান গাদীযুক্ত চকী। ফুলাম কাপোৰেৰে ঢাকি ৰখা টেবিল দুখনৰ ওপৰত নানা ৰঙৰ ফুলেৰে সজোৱা ফুলদানী দুটা। এটা মাইক্ৰোফন। মাইক্ৰোফনত বজোৱা হিন্দী গীতৰ ৰেকৰ্ডবোৰৰ শবদে ঠাইখন ৰজনজনাই আছে। নাহৰতলি অঞ্চলটোৰ বাইজৰ মাজত আজি এক উৎসৱমুখৰ হুলস্থুল।

চাওঁতে চাওঁতে বভাতেলিত দুহাজাৰমান মানুহ গোট খালে। কিছু সংখ্যক মানুহৰ সভা চোৱাৰ উদ্দেশ্য যদিও সৰহভাগৰে উদ্দেশ্য ডাঙৰ মানুহ অৰ্থাৎ মন্ত্ৰী ডাঙৰীয়াক চোৱা। হৰনগীয়া সভাখনৰ প্ৰচাৰো বাককৈয়ে হৈছিল। কিছুমানে গম পাইছিল সপ্তাহৰ মূৰকত বহা হাটখনলৈ আহোঁতে হাট বহা ঠাইৰ মাজতে দুটা বাঁহৰ খুঁটিত আঁৰি থোৱা কাপোৰখনত মন্ত্ৰীডাঙৰীয়াৰ আগমনৰ বাৰ্তা লিখা থকা ডাঙৰ ডাঙৰ আখৰ কেইটা পঢ়ি। পঢ়িব নজনা বিলাকে ইজনে সিজনক কোৱাত জানিছিল। কিছুমানে আকৌ লাউড্‌-স্পীকাৰৰ ঘোষণাৰ পৰাও সভাখনৰ বিষয়ে জানিছিল।

সাধাৰণতে নাহৰতলি অঞ্চলৰ মেল মিটিং, সভা-সমিতি, দুৰ্গাপূজা, ৰাসপূজা আদি এই ঠাই-ডোখৰতে হয়। কাষতে সাপ্তাহিক বজাৰৰ ঠাই। আজি এনেয়ে বজাৰৰ মানুহ। তাতে আকৌ ৰাজ্যৰ শিক্ষাদপ্তৰৰ মন্ত্ৰী শ্ৰীযুত আনন্দি-প্ৰসাদ হাজৰিকা দেৱৰ আগমন। গাঁওৰ বুঢ়া বুঢ়ী ল'ৰা-ছোৱালীৰ পৰা ডেকা-গাভৰু বোৱাৰী-জীয়াৰীলৈকে পৰাখিনিয়ে আহি ঠাইখন খদমদম লগাইছেহি। সকলোৰে এটাই প্ৰতীক্ষা—কেতিয়ানো মন্ত্ৰী ডাঙৰীয়াক চাই নয়ন ধন্য কৰিব পাৰে। সভাখনৰ আগভাগ লোৱা গাঁওৰে ৰবীন মহাজন আৰু অন্যান্য দুজনমানে বভাৰ তলত অনাহক ব্যস্ততা প্ৰদৰ্শন কৰি ইফাল সিফাল কৰি আছে। আন দুজনমানে কোহাল লগাই থকা মানুহখিনিক শান্তভাৱে বহি থাকিবলৈ অনুৰোধ কৰিছে।

অৱশেষত সকলো প্ৰতীক্ষা সকলো উদ্বিগ্নতাৰ ওৰ পেলাই নিৰ্দিষ্ট সময়ৰ ঠিক দুঘণ্টা পিচত

মন্ত্ৰী ডাঙৰীয়া আহি পালে। থুপুকা মুখখনত এমোকোৰা হাঁহি লৈ মন্ত্ৰীদেৱ চকচকীয়া গাড়ীখনৰ পৰা নামিল। লগে লগে নেতাজাতীয় দুজনমানে আদৰি আনিবলৈ গৰখেদাকৈ আগবাঢ়ি গ'ল। এইবাৰ প্ৰতীক্ষাৰত মানুহখিনিৰ মাজত একপ্ৰকাৰ হুলস্থুলে লাগি পৰিল। স্বেচ্ছাসেৱক কেইজনে ৰাইজৰ মাজত সোমাই ৰাইজক শান্তভাৱে বহি থাকিবলৈ সনিৰ্বন্ধ অনুৰোধ কৰিব লগীয়া হ'ল। নেতাজাতীয় মানুহ কেজনৰ লগত যোৱা সৰু ছোৱালী দুজনীয়ে মন্ত্ৰীৰ ডিঙিত ফুলৰ মালা দুডাল পিন্ধাই দি সভাৰ ভিতৰলৈ আদৰি আনিলে। এজন আগভাগ লোৱা ব্যক্তিয়ে 'মাইক'ৰ ওচৰলৈ গৈ মন্ত্ৰী ডাঙৰীয়াক আসন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলে। মন্ত্ৰী হাজৰিকাৰ লগত আহিছিল তেখেতৰ পত্নী শ্ৰীমতী ৰূপলেখা হাজৰিকা। তেখেতকো একে বিনয় আৰু শ্ৰদ্ধা জনাই আসন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰা হ'ল। তেখেতসকলে আসন গ্ৰহণ কৰাৰ পিছত প্ৰাইভেট চেক্ৰেটাৰী জনো পিছৰ শাৰীত পাৰি থোৱা আসনত বহিলগৈ। যোৰ কৰা ভঙ্গীত দুয়োহাত মোহাৰি মোহাৰি মুখিয়াল দুজনমানে মন্ত্ৰী ডাঙৰীয়াৰ কাণৰ ওচৰলৈ আহি আহোঁতে বাটত কিবা অসুবিধা পাইছিল নেকি সুধিলে। পত্নীৰ বান্ধৱী এগৰাকীৰ ঘৰত সোমাই আহিব লগীয়া হোৱাত আহোঁতে কিছু দেৰী হ'ল বুলি মন্ত্ৰী ডাঙৰীয়াই চমুকৈ কৈ থ'লে।

নিৰ্দিষ্ট সময়তকৈ আঢ়ৈ ঘণ্টা পিছত হলেও সভাৰ কাৰ্য্যসূচী আৰম্ভ হ'ল। এজনে 'মাইক'ৰ সমুখত থিয় হৈ মন্ত্ৰীদেৱৰ গুণৰ কথা সাধ্যানুসাৰে বৰ্ণনা কৰি তেখেতক ৰাইজৰ লগত পৰিচয় কৰাই দিলে। লগতে মন্ত্ৰী-পত্নীকো পৰিচয় কৰাই দিবলৈ নাপাহৰিলে। মন্ত্ৰী আৰু মন্ত্ৰীয়নী দুয়ো থিয় হৈ ৰাইজক প্ৰণাম কৰিলে। তাৰ পিছত কাৰ্য্যসূচী অনুযায়ী মন্ত্ৰী ডাঙৰীয়াৰ বক্তৃতাৰ পাল পৰিল। মন্ত্ৰী ডাঙৰীয়াই সজাই থোৱা পানী গিলাছৰ অৰ্দ্ধেকতকৈও বেছি পানী একে সোহাতে খাই গাৰ কাপোৰ যোৰ এনেয়ে ঠিক-ঠাক কৰি লৈ দুটামান গলখেকাৰি মাৰি মাইকৰ সমুখত থিয় হ'ল।

শিক্ষাদপ্তৰৰ মন্ত্ৰী ডাঙৰীয়াই প্ৰথমতে আমাৰ দেশখন শিক্ষাৰ ক্ষেত্ৰত কিমান পিচ পৰি আছে সেই বিষয়ে বৰ আক্ষেপেৰে কৈ গ'ল। লগতে আমাৰ চৰকাৰে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ উন্নতিৰ হকে কি কি বৈপ্লৱিক আঁচনি লৈছে সেই সম্পৰ্কেও বহলাই কলে। তাৰ পিচত তেওঁ আহিল পিচপৰা অঞ্চল নাহৰতলিৰ শিক্ষাৰ কথালৈ। কলেজৰ কথাতো বাদেই, হাইস্কুল বুলিবলৈও নাহৰতলি অঞ্চলটোত এখনো নাই। প্ৰথমতে হাইস্কুল এখন কেনেদৰে আৰম্ভ কৰিব লাগে আৰু পিচত কেনেদৰে চৰকাৰৰ লগত যোগাযোগ কৰি গ্ৰেণ্ট্ আনিব লাগে তেখেতে পৰিপাটিকৈ ৰাইজক বুজাই দিলে। লগতে অনতিপলমে হাইস্কুল এখন কমেও বৰ্ত্তমানে থকা প্ৰাথমিক বিদ্যালয়খনৰ উপৰি আন এখন প্ৰাথমিক বিদ্যালয় পতাৰ বাবে ৰাইজক পৰামৰ্শ দিলে। যাৱতীয় চৰকাৰী সাহায্য আদিৰ ভাৰ তেওঁ স্বেচ্ছাই নিজৰ কান্ধত লৈ ৰাইজক সেই বিষয়ে নিশ্চিত থাকিবলৈ ক'লে। আনকি স্কুলকেইখনৰ প্ৰস্তুতিৰ

বাবে ব্যক্তিগতভাৱে এহেজাৰ টকাৰ অনুদানো আগবঢ়ালে ।

তাৰ পিচত তেখেতৰ বক্তৃতা আহি পৰিল নাহৰতলিৰ বাট-পথৰ ওপৰত । এই অঞ্চলৰ বাট-পথৰ দুৰৱস্থা দেখি তেখেতে আক্ষেপ কৰিলে আৰু চৰকাৰৰ দৃষ্টি গোচৰ কৰাৰ ভাৰ ল'লে। গাঁওত সোমোৱা প্ৰধান ৰাস্তাটো পকী কৰাৰ বাবে তেখেতে ঘূৰি গৈয়ে মন্ত্ৰীসভাত আলোচনা কৰাৰ কথা ক'লে আৰু অহা শৰালিত কাম আৰম্ভ কৰাৰ একপ্ৰকাৰ প্ৰতিশ্ৰুতিও দিলে । গাঁওৰ সৰুসুৰা ৰাস্তাঘাটবোৰ ৰাইজে মাৰ বান্ধি ভাল কৰি লবলৈ ৰাইজক অনুৰোধ জনালে । তাৰ বাবে তেখেতে পাঁচশ টকাৰ অনুদানো আগবঢ়ালে । বাট-পথ যে গাঁও এখনৰ উন্নতিৰ প্ৰথম পদক্ষেপ তাৰ ওপৰতো তেওঁ দুষাৰমান ক'লে ।

সৰ্বশেষত তেওঁ বক্তৃতা দিলে দেশৰ দুৰ্ভিক্ষৰ ওপৰত । দেশৰ কোটি কোটি জনসাধাৰণে কেনেকৈ দুৰ্ভিক্ষৰ কৰাল গ্ৰাসত পৰি চটফটাব লাগিছে আৰু ধনীক শ্ৰেণীটোৱে কেনেকৈ অক্টো-পাছৰ দৰে দুখীয়াৰ ৰক্ত শোষণ কৰি আছে তাৰ গৰম গৰম বক্তৃতা দিলে । ওচৰতে বহি থকা ধনিৰাম গাওঁবুঢ়া, নবীন মহাজন, দেলাল মিঞা আদি অৱস্থাপন্ন কিছুমানে মনৰ অশান্তি মনতে লুকাই ৰাখি মন্ত্ৰীৰ বক্তৃতা গ্ৰহণ কৰাৰ ভঙ্গীত মূৰ দুপিয়াই থাকিল । ৰাইজৰ মাজত গুণগুণনি আৰু হাত চাপৰিৰ উজান উঠিল । ডেকা-গাভৰুবিলাকৰ শোষণ মূলচ্ছেদ কৰিবলৈ ডেকা তেজৰ পিৰ্‌পিৰণি উঠিল । তাৰে দুজনমানে ওচৰত গোলমাল কৰি থকা মানুহ কিছুমানক মনে মনে নাথাকিলে সভাৰপৰা উলিয়াই দিয়া হব বুলি ধমকনি দিলে । মন্ত্ৰী ভাওৰীয়াই কেনেকৈ কিছুমান সুবিধাবাদীয়ে ক'লাবজাৰত টকা ঘটি আছে আৰু দুখীয়া শ্ৰেণীটোৱে কেনেকৈ সিহঁতৰ হাতৰ পুতলা হৈ নাচিব ধৰিছে তাকো ব্যাখ্যা কৰি ৰাইজক বুজাই দিলে আৰু সুবিধাবাদী সকলৰ প্ৰতি চোকা নজৰ ৰাখিবলৈ ৰাইজক উদাত্ত আহ্বান জনালে । মন্ত্ৰীৰ গৰম বক্তৃতা শুনি বজাৰত চাউল বিচাৰি আহি অতিগাত দামৰ বাবে চাউল কিনিব নোৱাৰি খালি মোনাবোৰকে লৈ থকা বিলাকে কিবা এক অবুজ আক্ৰোশত দাঁত কৰচিবলৈ ধৰিলে । মাটিৰ মহাজন বিলাকে কিমান মাটি আবাদ কৰি দুখীয়াৰ ৰক্ত পান কৰি আছে আৰু সেই মাটিবোৰ উদ্ধাৰ কৰিবলৈ দুখীয়া জনসাধাৰণে কি উপায় অবলম্বন কৰিব লাগিব তাক তেওঁ বিতংভাৱে ৰাইজক বুজাই দিলে । ৰাইজৰ মাজত আলোড়নৰ সৃষ্টি হ'ল । হাত চাপৰিৰ পুনৰ উজান উঠিল । উত্তেজনাৰ তুঙ্গত ৰাইজক তুলি দি এটা সময়ত সকলোকে প্ৰণাম জনাই মন্ত্ৰী ভাওৰীয়াই বক্তৃতাৰ সামৰণি মাৰিলে ।

মন্ত্ৰীৰ বক্তৃতাৰ পিচত বক্তৃতা দিয়াৰ পাল পৰিল মন্ত্ৰী-পত্নী শ্ৰীমতী ৰূপলেখা হাজৰিকাৰ ওপৰত । ভুবন ভুলোৱা মোহিনী হাঁহিটোৰে সকলোকে প্ৰণাম জনাই শ্ৰীমতী হাজৰিকা উঠিল । তেখেতেও বৰ্ত্তমান চৰকাৰে লোৱা শিক্ষা ব্যৱস্থা আৰু অন্যান্য উন্নয়নমূলক আঁচনি সমূহৰ কাৰ্য্যকাৰিতা আৰু কৃতকাৰ্য্যতা সম্পৰ্কে চমুকৈ দোহাৰিলে । ৰাইজে পাবলগীয়া সা-সুবিধা সম্পৰ্কেও

তেওঁলোকক সজাগ থাকিবলৈ সঁকিয়াই দিলে। অৱশেষত তেখেতে বিধান সভাৰ আগন্তুক ইলেক্‌চনৰ কথা লাহেকৈ উলিয়ালে। ইলেক্‌চনলৈ তেতিয়া মাথোন ছমাহ বাকী। গতিকে মন্ত্ৰী বা মন্ত্ৰী-পত্নীৰ গাত ইলেক্‌চনৰ বতাহ লাগিবই। বচনত যথেষ্ট বিনয়তা লৈ শ্ৰীমতী হাজৰিকাই আগন্তুক ইলেক্‌চনত গিৰিয়েক শ্ৰীযুত আনন্দিপ্ৰসাদ হাজৰিকাৰ বাবে ৰাইজৰ বহুমূলীয়া ভোট প্ৰাৰ্থনা কৰিলে। লগতে পাকে প্ৰকাৰে অন্যান্য দলৰ প্ৰাৰ্থীসমূহক অপদাৰ্থ বুলি প্ৰমাণ কৰিবলৈ যত্নৰ ত্ৰুটি নকৰিলে। অৱশেষত গিৰিয়েক এজন যে সৎ, নীতিপৰায়ণ আৰু কৰ্ত্তব্যপৰায়ণ পুৰুষ আৰু ৰাইজে যেতিয়াই বিচাৰে তেতিয়া যে গিৰিয়েকৰ সহায় সহানুভূতি পাব এই কথাও বক্তৃতাৰ মাজত কেবাবাৰো সোঁৱৰাই দি শ্ৰীমতী হাজৰিকাই তেখেতৰ বহুমূলীয়া বক্তব্য শেষ কৰিলে।

শ্ৰীমতী হাজৰিকাৰ বক্তৃতাৰ পিচত স্থানীয় দুই এজন নেতাজাতীয় লোকে শ্ৰীযুত হাজৰিকা আৰু শ্ৰীমতী হাজৰিকাৰ গুণানুকীৰ্ত্তন কৰি বক্তৃতা দিলে। নাহৰতলি অঞ্চল যে আজি তেখেতসকলৰ পদধূলি পাই ধন্য সেই কথা প্ৰায় আটাইকেইজন বক্তাই দোহাৰিলে।

এটা সময়ত সভাৰ পৰিসমাপ্তি ঘটিল। মন্ত্ৰী ডাঙৰীয়াই সস্ত্ৰীক থিয় হৈ ৰাইজক হাত-যোৰ কৰিলে আৰু ইলেক্‌চনৰ আগে আগে ৰাইজৰ পদধূলি শিৰত লবলৈ অহাৰ কথা আগধৰি ঘোষণা কৰিলে। মন্ত্ৰী ডাঙৰীয়া মঞ্চৰ পৰা আঁতৰি যোৱাৰ আগে আগে অৱশ্যে গিৰি-হঁতৰ ওচৰলৈ নেজ জোকাৰি অহা কুকুৰৰদৰে পৰেশ ঠিকাদাৰকে আদি কৰি কেইজনমানে মন্ত্ৰীৰ ওচৰলৈ আহি তেখেতৰ হাতত দৰ্খাস্ত জাতীয় কাগজ কেইখনমান দিবলৈ নাপাহৰিলে। মন্ত্ৰী ডাঙৰীয়াই সেইবোৰ সামৰি লৈ নিজৰ এম্বাচাদৰ খনত উঠি গুচি গ'ল। ধূলিৰ ফাকুৰাৰ মাজত ৰৈ থকা মানুহখিনিয়ে হাতেৰে নাক-মুখ ঢাকি গাড়ীখন যোৱাৰ ফালে কিছু বেলি চাই থাকিল।

মন্ত্ৰীডাঙৰীয়া প্ৰস্থান কৰাৰ পিচত তাত গোট খোৱা ল'ৰা তিৰোতা, বুঢ়া বুঢ়ী, ডেকা ডেকেৰীবোৰৰ বেছিভাগে দিহাদিহি গ'ল। কিন্তু বহুদিনৰ মূৰত হোৱা এনেকুৱা এখন সভাৰ মোহ এৰিব নোৱাৰিয়ে হবপায় তেতিয়াও গাওঁৰে কেইজনমানে মঞ্চখনৰ ফালে চাই ৰভাৰ তলত ইফাল সিফাল কৰি আছিল। উকা মঞ্চখনৰ দৰে তেওঁলোকৰ মনবিলাকো এতিয়া উকা উকা। ইমান বেলি পাটৰ চিক্‌চিকিয়া চুৰিয়া, পাঞ্জাৱী পিন্ধি কান্ধত দামী পাটৰ চেলেং পেলাই বক্তৃতা দি থকা উজ্জ্বল চেহেৰাৰ নিপোটল মন্ত্ৰী ডাঙৰীয়া আৰু তেখেতৰ অত্যাধুনিক সুন্দৰী স্ত্ৰীৰ উপস্থিতিয়ে ৰাইজৰ মন বিলাক কানিৰ ৰাগীয়ে মতলীয়া কৰি ৰখাৰ দৰে মতলীয়া কৰি ৰাখিছিল। এতিয়া তেওঁলোকৰ কানিৰ ৰাগী হঠাত যেন ফাটি গ'ল। বিশেষকৈ উদ্যোক্তাসকলৰ কোনে বা দুজনমানে মঞ্চখনৰ পিচফালে থকা স্কুলঘৰ খন নেদেখা কৰিবলৈ আঁৰি দিয়া ৰঙীন আঁৰ কাপোৰখন আঁতৰাই দিয়াত ঠাইখনৰ সকলোখিনি আকৰ্ষণ যেন হঠাত নাইকিয়া হৈ পৰিল। মোহ-মুক্তিৰ মনোকষ্ট সহ্য কৰিব নোৱাৰিয়ে

হয়তো ইফাল-সিফাল কৰি থকা মানুহখিনিয়েও এবাৰ ঘৰাঘৰি যোৱাৰ যো-জা কৰিলে। ঠিক তেনেতে গাওঁৰ আধাবলিয়া বুলি সকলোৱে অৱজ্ঞা বিনা প্ৰতিবাদে মানি অহা মাধৱচৰণ বোলা আদবয়সীয়া মানুহটোৱে স্কুলখনৰ ফালে কিবা এটা আঙুলিয়াই সকলোৰে দৃষ্টি আকৰ্ষণ কৰাকৈ চেক্ চেক্ কৈ হাঁহি দিলে। তাত থকা মানুহখিনিয়ে কিছু আচৰিত হৈ স্কুল ঘৰটোৰ ফালে চালে। একো দেখা নেপালে। মাধৱচৰণে কিন্তু তেনেকৈ আঙুলিয়াই একে ধৰণে হাঁহি হাঁহি কোনোৱে একো বুজিব নোৱাৰাকৈ মুখৰ ভিতৰতে কিবা কিবি ভোৰ ভোৰাই আঁতৰি গ'ল।

মানুহখিনিয়ে এইবাৰ তাৰপৰা দৃষ্টি আঁতৰাই আনি পুনৰ স্কুল ঘৰটোৰ ফালে চালে। মজিয়াৰপৰা আকাশৰ তৰা লেখিব পৰাকৈ উৰলি যোৱা খেৰৰ চালেৰে বেৰবোৰৰ বহুলাংশত ভগ্নতাৰ প্ৰকট চাপ লৈ অকালতে কেৰাখনো দুৱাৰ-খিৰিকি হেৰুওৱা স্কুল নামৰ ঘৰটো তেওঁলোকে পুনৰ সমুখত দেখা পালে। তেতিয়াহে যেন তেওঁলোকে বুজি পালে 'চেৰাবলিয়াটো'ৱে স্কুলখনৰ ফালে চাই কি ইংগিত কৰিছিল। এৰা, এইখনেই গাওঁৰ শিক্ষানুষ্ঠানৰ কণকঠীয়া বুলিবলৈ থকা একমাত্ৰ অনুষ্ঠান। আজি সোতৰ বছৰ আগতে যাদৱ পণ্ডিতে নিজৰ মাটি আৰু শ্ৰম দি গঢ়ি যোৱা স্কুল। যাদৱ পণ্ডিতে পণ্ডিতালি কৰা দিনত আৰু তাৰ পিচতো এবাৰ নে দুবাৰ স্কুলখনৰ শেষ পৰীক্ষাত এটা নহয় এটা ছাত্ৰে বৃত্তি ধৰিছিল। এতিয়া নোৱাৰে। যাদৱ পণ্ডিতো মৰিল আৰু স্কুলখনো চোৱাচিতা কৰা মানুহ নোহোৱা হ'ল। মানুহ ওলাবইবা কেনেকৈ? শিক্ষিত মানুহ আছেইবা কেইজন? যি দুজনমান চহৰৰ হাইস্কুল আৰু কলেজত পঢ়ি শিক্ষিত হ'ল সিহঁত এতিয়া চহৰৰ মানুহ। নাহেতো নাহে বছৰেকৰ মূৰকত হোৱা গাওঁৰ বৰসবাহটোলৈ সেৱা এটি কৰিবও নাহে। গাওঁৰ বাট-ঘাট সমূহ পাহৰিলেই হৰপায়। থকাৰ ভিতৰত আছিল বেচেৰা যাদৱ পণ্ডিতটোৱে। বাপেকে পুতেকক চোৱাদি স্কুলঘৰটো চাইছিল মানুহটোৱে। মানুহটো থকা হ'লে স্কুলঘৰখনৰ এনে বিলৈ হব নিদিলেহেঁতেন। আন উপায় নাথাকিলে থকা ভেঁটিটোকে বেচি কিবা এটা সদ্গতি লগালেহেঁতেন। এতিয়া ৰাইজো নিৰুপায়। বছৰ দুবছৰে খেৰ জাপি জাপি ভাগৰি পৰা গাওঁৰ ৰাইজে যোৱা পাঁচটা বছৰত কমেও ছয়বাৰ গাঁঠিৰ ধন ভাঙি স্কুল ঘৰটোৰ চাল দুখনৰ বাবে কেইচলামান টিন বিচাৰি মন্ত্ৰী মহোদয়ৰ ওচৰলৈ সংজাতীদল পঠাইছিল। বৰমুণ হলে বা বৰমুণ হোৱাৰ সম্ভাবনা দেখিলে স্কুল ছুটী দিয়া বা স্কুল নবহা এইখন স্কুলত নিৰক্ষৰ গঞাৰ ল'ৰা-ছোৱালীবোৰে যাতে ক'ল আখৰ কেইটা চিনাত কিছু সুবিধ পায় তাকে আশা কৰি মন্ত্ৰী মহোদয়ৰ ওচৰলৈ যোৱা ৰাইজৰ সংজাতী দলটোক প্ৰতিবাৰেই মন্ত্ৰীডাঙৰীয়াই পৰম আশ্বাস আৰু প্ৰতিশ্ৰুতি দি পঠিয়াই দিছিল। পিচে আশ্বাস আৰু প্ৰতিশ্ৰুতিয়েতো স্কুলৰ উকা মুধচ আৰু ক্ৰমবৰ্দ্ধমান ক্ষতিক ঢাকিব নোৱাৰে। মন্ত্ৰীডাঙৰীয়াই তাকে দেখি লাজ পাব বুলি উদ্যোক্তাসকলে স্কুলখন আঁৰকাপোৰেৰে ঢাকি দিছিল। এতিয়া আঁৰ কাপোৰখন গুচাই দিয়াত

স্কুলখন দেখা দিছে কুষ্ঠ ৰোগাক্রান্ত এক বিকৃত নৰকঙ্কালৰ দৰে। তাকে দেখি চেৰাবলিয়া বুলি সকলোৱে অৱজ্ঞা কৰা মাধৱচৰণৰ হাঁহি উঠিছিল। বিসদৃশ কিবা এটা দেখিলে সি তেনেকৈয়ে হাঁহে একো নকয়। ক'লেও মুখৰ ভিতৰতে আনে বুজিব নোৱাৰাকৈ ভোৰভোৰাই থাকে। কিন্তু সি হাঁহে। অদ্ভুত ধৰণে ঢেক্ ঢেক্কৈ হাঁহে। আচলতে মানুহটোৱে অদ্ভুত ধৰণৰ। আদিতে সি ক'ৰ মানুহ আছিল কোনোৱে সঠিককৈ নাজানে। বৃটিছৰ দিনত হেনো মিলিটেৰীত চাকৰি কৰিছিল। নগা পাহাৰত থাকোতে এজনী নগা ছোৱালীও বিয়া কৰাইছিল। পিচত ছোৱালীজনীয়ে হেনো তাক 'তালাক' দিলে। মনৰ বেজাৰতে সি মিলিটেৰী চাকৰিও বাদ দিলে, নগা পাহাৰো এৰিলে। আৰু অৱশেষত এদিন নগাপাহাৰত ঠিকাদাৰৰ মহৰী কৰা গাওঁৰে ৰত্নেশ্বৰৰ লগত এইখন গাওঁ পালেহি। সেই যি আহিল তেতিয়াৰপৰা আজি পয়ত্রিশ বছৰে সি গাঁওতে আছে। মন গ'লে কিতাপ পঢ়ে, নতুবা অকলে অকলে ঘূৰি ফুৰে।

অলপ আগতে মন্ত্রী ডাঙৰীয়া আৰু তেখেতৰ সুন্দৰী স্ত্রীয়ে ৰাইজৰ দুৰ্দশা দেখি সমবেদনাত গদ্‌গদ্ হৈ দিয়া বক্তৃতা ৰাইজে 'সজ' 'সজ' বুলি হাত চাপৰি মাৰি গ্ৰহণ কৰিছিল। নিজৰ ভিতৰতে কোৱাকুইও কৰিছিল, 'ইবেলিও শ্রীযুত হাজৰিকা দেৱক ভোট দিব লাগিব। তেখেতৰ বাহিৰে ভোট পাব পৰা মানুহ আছেইবা কেইজন?' কিন্তু 'চেৰাবলিয়াটো'ৰ হাঁহিটোৱে যেন সকলোৰে খেলি মেলি লগাই দিলে। ৰাইজৰ মুখৰ মাত মুখতে নোহোৱা হ'ল। নীৰৱে তেওঁলোকে বক্তৃতাৰ ঠাইডোখৰৰ পৰা আঁতৰি ঘৰা ঘৰি গুচি গ'ল। এই নীৰৱতাখিনিয়ে যেন কোনেও কাকো বুজাব নলগাকৈ বহুত কথাকে তেওঁলোকক বুজাই দিলে। ★ ★

সাজু হব'ৰে হ'ল ডেকা ল'ৰা সাজু হবৰে হ'ল।
তোৰ তপত ৰুধিৰ ঢালি আয়েৰাক শক্তি দিবৰে হ'ল।"

—জ্যোতিপ্রসাদ—

# গল্প

# ....অচিন সুছবি....

—নৰমোহন ৰায়সৰকাৰ
২য় বাষিক, প্ৰাকবিশ্ববিদ্যালয়

আলোচনী এখনৰ সম্পাদকৰ দায়িত্ব পালন কৰিবলৈ গৈ উদীয়মান গল্প লিখক বন্ধু অৰূপ বৰুৱালৈ চিঠি এখন লিখিছিলোঁ। প্ৰায় দুমাহ আগতে। দুমাহ সঁহাৰি নোপোৱাকৈ পাৰ হৈ যোৱাত ধৰি লৈছিলোঁ অৰূপে মোৰ চিঠিখন কিবা কাৰণত নেপালে অথবা মই সম্পাদনা কৰিবলৈ লোৱা অনামী আলোচনী এখনৰ বাবে গল্প লিখাৰ তাৰ সময়ৰ নাটনি। সেয়ে অৰূপৰ পৰা গল্প এটি পোৱাৰ আশা প্ৰায় এৰিয়ে দিছিলোঁ। কিন্তু কালি হঠাত অৰূপৰ চিঠি এখন পোৱাৰ পিচত মই আশাবাদী হৈ উঠিছোঁ। এটি গল্পৰ অভাৱ তেওঁ এই চিঠিখনে পূৰণ কৰিব পাৰিব।

চিঠিখন কবলৈ গ'লে অৰূপৰো নাছিল। পলাশ চলিহা নামৰ ডেকা লিখক এজন আজি প্ৰায় সাত বছৰ আগতে এদিন হঠাৎ নিৰুদ্দেশ হৈছিল। সৰু চহৰ এখনত পলাশৰ নিচিনা ডেকা এজনৰ নিৰুদ্দেশে সেই সময়ত স্বাভাৱিকতে যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। বিভিন্ন মহলত পলাশৰ নিৰুদ্দেশ সম্পৰ্কে বিভিন্ন জল্পনা কল্পনা হৈছিল। আৰু এটা সময়ত নদীৰ বুকুৰ এটি সৰু ঢৌৰ দৰে সেই আলোড়ন, সেই জল্পনা কল্পনাৰো ওৰ পৰিছিল। পলাশ এটি খীণ স্মৃতিত পৰিণত হৈছিল। সেই পলাশ চলিহাই নিৰুদ্দেশৰ আগতে তেওঁৰ আৰু মোৰো বন্ধু অৰূপ বৰুৱালৈ লিখা চিঠিখন আজি এয়া মোৰ হাতত পৰিছে। চিঠিখনৰ বিষয়বস্তুৰ অকণো পৰিবৰ্তন নকৰাকৈ কেৱল নামধাম কেইটাৰ সলনি ঘটাই চিঠিখন তলত হুবহু তুলি দিছোঁ। কেৱল এটা গল্পৰ অভাৱ পূৰণ কৰিবলৈয়ে নহয়। কাৰোবাৰ নিৰুদ্দেশ, কাৰোবাৰ আত্মহত্যা আদিক লৈ সত্যৰ কেনেকৈ অপলাপ হয় তাক দাঙি ধৰাটোও চিঠিখন প্ৰকাশ কৰাৰ অন্যতম উদ্দেশ্য।

পলাশ চলিহাক চিনিপোৱা বিলাকে আৰু তেওঁৰ নিৰুদ্দেশকলৈ তেখেতৰ চৰিত্ৰক কটাক্ষপাত কৰি মুখৰোচক নানান গুজৱ, নানান জল্পনা-কল্পনা কৰা সকলে অন্ততঃ সঁচাৰ স্বৰূপ কেনেকুৱা এই চিঠিখন পঢ়াৰ পিচত বুজি পাব বুলিয়ে আমাৰ বিশ্বাস।